بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ১৫ মাৰ্চত মছজিদ বায়তুল ফুতুহ মৌৰডনৰ (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আজি মই যিসকল চাহাবা ইকৰামৰ বিষয়ে উল্লেখ কৰিম তেখেত সকলৰ মাজৰ প্ৰথম জন হ'ল হজৰত ছায়েব বিন উচমান (ৰাঃ)। তেখেত (ৰাঃ) হজৰত উচমান বিন মজউন (ৰাঃ) ৰ পুত্ৰ আছিল। এখেত (ৰাঃ) ৰ মাকৰ নাম আছিল হজৰত খোওলা বিনতে হাকিম (ৰাঃ)। তাই ইছলামৰ প্ৰাথমিক অৱস্থাতে মুছলমান হৈছিল। হজৰত ছায়েব বিন উচমান (ৰাঃ) য়ে নিজৰ দেউতা আৰু খুৰায়েক হজৰত কাদামাৰ সৈতে  দ্বিতীয়তম হিজৰতে হাবশাত অংশ গ্ৰহন কৰিছিল। আঁহজৰত (ছাঃ) ৰ তীৰ আন্দাজী চাহাবা সকলৰ তালিকাত এখেত (ৰাঃ) ৰ নাম উল্লেখ আছে। হজৰত ছায়েব বিন উচমান (ৰাঃ) যুদ্ধ বদৰ, অহুদ, খন্দক, আদি কৰি সকলো যুদ্ধতেই আঁহজৰত (ছাঃ) ৰ লগত যোগ দিছিল। ৰোৱায়েতত যুদ্ধৰ সময়ত আঁহুযুৰ (ছাঃ) য়ে হজৰত ছায়েব (ৰাঃ) ক মদিনাৰ আমিৰ নিযুক্ত কৰিছিল। হিজৰি ২ চনত এই বোৱাত মদিনাৰ পৰা প্ৰায় ৪৮ কিঃমিঃ দুৰত অৱস্থিত জহিনা কবিলাৰ এখন পাহাৰৰ নাম আছিল। হজৰত ছায়েব (ৰাঃ) য়ে এই যুদ্ধত অংশ গ্ৰহন কৰিছিল। ইমামাৰ যুদ্ধত হজৰত আবু বক্কৰ (ৰাঃ) ৰ খিলাফত কালত চন ১২ হিজৰীত সংগঠিত হৈছিল। উক্ত যুদ্ধত হজৰত ছায়েব (ৰাঃ) তীৰ আঘাতত আহত হৈছিল আৰু সেই আঘাতত পিছত গৈ মৃত্যু বৰণ কৰিছিল। তেতিয়া তেখেত (ৰাঃ) ৰ ৩০ বছৰতকৈ অলপ বেছি বয়স হৈছিল।

ইয়াৰ পিছত আন এজন চাহাবীৰ নাম আছিল হজৰত জুমৰাহ বিন উমৰু জুহানি (ৰাঃ)। এখেত কবিলা বণু তৰিফৰ বন্ধু আছিল। আকৌ কিছুমানৰ মতে এখেত কবিলা বণু ছাআদৰ বন্ধু আছিল, যিটো হজৰত ছঈদ বিন আবাদাহৰ কবিলা আছিল। হজৰত জুমৰাহ য়ে বদৰৰ যুদ্ধ আৰু অহুদৰ যুদ্ধত অংশ লৈছিল আৰু অহুদৰ ময়দানতে শ্বাহাদত বৰণ কৰিছিল। হজৰত ছঈদ বিন ছুহেল নামৰ এজন চাহাবী আছিল। এখেত (ৰাঃ) আনছাৰী আছিল। এখেত বদৰ আৰু অহুদৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল।

ইয়াৰ পিছৰ জন চাহাবী নাম আছিল হজৰত ছঈদ বিন আবিদ (ৰাঃ)। হজৰত ছঈদ বিন আবিদ (ৰাঃ) য়ে বদৰৰ যুদ্ধ, অহুদৰ যুদ্ধ, খন্দকৰ যুদ্ধ আদি কৰি সকলো যুদ্ধত আঁহজৰত (ছাঃ) ৰ লগত যোগ দিছিল। এখেত (ৰাঃ) কাৰী নামেৰে জনাজাত আছিল আৰু আবু জায়েদ এখেতৰ কুনিয়াত আছিল। হজৰত ছঈদ বিন আবিদ (ৰাঃ) ক সেই চাৰিজন চাহাবাৰ এজন বুলি গন্য কৰা হৈছিল। যি সকলে আনছাৰ সকলৰ ফালৰ পৰা আঁহজৰত (ছাঃ) ৰ সময়ত কোৰ-আন কৰিম লিপিবদ্ধ কৰিছিল। এখেত (ৰাঃ) পুত্ৰ উমিৰ বিন ছঈদ হজৰত উমৰ (ৰাঃ) ৰ খিলাফত কালত শ্বামৰ এক অংশৰ শাসক আছিল। আন এটা ৰোৱায়েত অনুসৰি হজৰত ছঈদ বিন আবিদ (ৰাঃ) আঁহজৰত (ছাঃ) ৰ সময় ছোৱাত মছজিদ কুবাত ইমামতি কৰিছিল। হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ) ৰ সময়ছোৱাত সেই ইমামতিত নিযুক্ত আছিল। হজৰত ছঈদ বিন আবিদ (ৰাঃ) য়ে হিজৰতৰ যোল্ল তম বছৰত কাদছিয়াৰ যুদ্ধত শ্বহীদ হৈছিল। শ্বাহাদতৰ সময়ত এখেতৰ বয়স হৈছিল ৬৪ বছৰ। আব্দুৰ ৰহমান বিন আবু লিলিৰ পৰা বৰ্ণিত আছে যে চন ১৩ হিজৰিত জছৰৰ যুদ্ধ সংগঠিত হৈছিল আৰু সেই যুদ্ধত মুছলমান সকলৰ যথেষ্ঠ ক্ষতি সাধন হৈছিল। সেই যুদ্ধত হজৰত ছঈদ বনি আবিদ (ৰাঃ) পৰাজিত হৈ ঘুৰি আহিছিল অৰ্থাৎ পিছহুহকি আহিছিল। তেতিয়া হজৰত উমৰ (ৰাঃ) য়ে হজৰত ছঈদ (ৰাঃ) ক সুধিছিল যে শ্বাম দেশত যুদ্ধলৈ মন আছেনে ? আৰু কৈছিল যে তাত বহু মুছলমানৰ প্ৰাণ গৈছে আৰু মুছলমানৰ বহু ক্ষতি সাধন কৰা হৈছে। যদি জছৰৰ যুদ্ধৰ অপযশ আৰু পৰাজয়ৰ পলঙ্ক মচিব বিচৰা তেন্তে তালৈ যোৱা তাতেও যুদ্ধ চলি আছে। হজৰত ছঈদ (ৰাঃ) য়ে উত্তৰ দিছিল নহয় ! মই সেই ঠাইৰ বাহিৰে কতো নাযাওঁ, যৰ পৰা মই ঘুৰি আহিছো।

মই সেই শত্ৰু সকলৰ বিৰুদ্ধে ৰণত ওলাম, তেওঁলোকৰ যি কৰিবলৈ আছিল কৰিব। গতিকে হজৰত ছুঈদ (ৰাঃ) কাদাছিয়ালৈ গৈছিল আৰু যুঁজি যুঁজি শ্বহীদ হৈ গৈছিল। আব্দুৰ ৰহমান বিন আবিদ আবু লিলি বৰ্ণনা কৰিছে যে হজৰত ছুঈদ বিন আবিদ (ৰাঃ) য়ে লোকক কৈছিল যে অহাকালি মই শত্ৰুৰ সৈতে যুঁজ দিম আৰু কালিয়ে শ্বহীদ হৈ যাম। গতিকে তোমালোকে মোৰ শৰীৰৰ তেজ ধুই নিদিবা আৰু সেই কাপোৰৰ বাহিৰে যি মোৰ শৰীৰত থাকিব বেলেগ কফন নিদিবা।

ইয়াৰ পিছত আন এজন চাহাবী আছিল হজৰত ছাহল বিন আতিক (ৰাঃ)। হজৰত ছাহল (ৰাঃ) সত্তৰ জনীয়া আনছাৰৰ দলত যোগ দি বয়াতে উকবা ছানিয়াত অংশ গ্ৰহন কৰিছিল। এখেত (ৰাঃ) য়ে বদৰ আৰু অহুদৰ যুদ্ধত চামিল হৈছিল আৰু অহুদৰ ময়দানত শ্বহীদ হৈছিল।

হজৰত ছুহেল বিন ৰফিয়া নামৰ এজন চাহাবী আছিল। তেখেত কবিলা বণু নজাৰৰ লোক আছিল। মছজিদ নবুৰী নিৰ্মাণত মাটি খিনি হজৰত ছুহেল (ৰাঃ) আৰু এখেতৰ ভায়েকৰ সত্বাধীকাৰীত আছিল। পিছত আঁহজৰত (ছাঃ) য়ে কিনি লৈ মছজিদ নিৰ্মাণ কৰিছিল। হজৰত ছুহেল (ৰাঃ) য়ে যুদ্ধ বদৰ,অহুদ খন্দক আদি কৰি সকলো যুদ্ধতেই আঁহজৰত (ছাঃ) ৰ লগত থাকি লড়াই কৰিছিল। হজৰত উমৰ (ৰাঃ) ৰ খিলাফত কালত এখেত (ৰাঃ) ৰ মৃত্যু হৈছিল।

হজৰত মিৰ্জা বশিৰ আহমদ ডাঙৰীয়ায় ছিৰাত খাতামান নাবীঈনত লিখিছে যে হিজৰতৰ পিছত মদিনাত অৱস্থান কৰাৰ সৰ্ব প্ৰথম কাম আছিল মছজিদ নবুৰী নিৰ্মাণ কৰা, যি ঠাই খনত গৈ আঁহজৰত (ছাঃ) ৰ উটনী বহি পৰিছিল। সেই ঠাইখিনি মদিনাৰ দুজন মুছলমান বালক ছাহল আৰু ছুহেলৰ সম্পত্তি আছিল। যি হজৰত আছআদ বিন জাৰাৰাহ (ৰাঃ) ৰ দায়িত্বত আছিল। এই ঠাইখিনি এনেয়ে পৰি থাকিছিল, কৰবাত এটা দুটা খেজুৰ গছ আছিল। আকৌ এটা অংশত ভঙা-ছিঙা ঘৰৰ চিন আছিল। আঁহজৰত (ছাঃ) য়ে সেয়া মছজিদ আৰু নিজৰ পুজাঁ নিমাণাৰ্থে পছন্দ কৰিছিল আৰু দহ দিনাৰ মূল্যত কিনি লৈছিল। লগতে সেই ঠাইখনৰ গছ-গছনি কাটি পেলাই মছজিদ নবুৰীৰ কাম আৰম্ভ কৰিছিল। আন এটা ৰোৱায়েত অনুসৰি সেই মাটি ডোখৰৰ মূল্য হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) য়ে প্ৰদান কৰিছিল। আকৌ লিখিছে যে ঠাইডোখৰৰ গছ-গছনি কাটি পৰিস্কাৰ কৰি মছজিদ নবুৰী নিমাৰ্ণৰ কাম আৰম্ভ কৰিছিল। আঁহজৰত (ছাঃ) য়ে নিজে দোৱা কৰি আধাৰ শিলা স্থাপন কৰিছিল। মছজিদ কুবা নিমাৰ্ণৰ দৰে এই মছজিদৰ নিৰ্মাণ কামতও চাহাবা সকলে শ্ৰম আগবঢ়াইছিল লগতে কেতিয়াবা কেতিয়াবা আঁহজৰত (ছাঃ) য়েও সেই কামত ভাগ লৈছিল।

সেই সময়তেই এই মছজিদ খন ১০ ফুট উচ্চতাত নিৰ্মাণ কৰা হৈছিল আৰু দীঘলত আছিল এশ পাঁচ ফুট আৰু বহল (পুতলত) আছিল প্ৰায় ৯০ ফুট। মছজিদৰ এটা কোণত এখন থাকিব পৰা কোটা চালৰ সৈতে বনোৱা হৈছিল যাক চফা বুলি কোৱা হয়। এয়া সেই দৰিদ্ৰ মোহাজেৰিণ সকলৰ নিমিত্তে সজোৱা হৈছিল যি সকলৰ কোনো ঘৰ-বাৰী নাছিল। এই লোক সকলে তাত থাকিছিল আৰু ইয়াক আচহাবুল চফা বুলি কোৱা হৈছিল। আকৌ মছজিদৰ লগা লগিকৈ আঁহজৰত (ছাঃ) ৰ নিমিত্তে বাস গৃহ নিৰ্মাণ কৰা হৈছিল। উক্ত বাসস্থানখন ১০+১৫ ফুটৰ এখন সৰু পঁজা আছিল। এই পঁজা আৰু মছজিদৰ মাজত এখন সংযোগী দৰ্জাৰ ব্যাৱস্থা কৰা হৈছিল। যিখন দুৱাৰেদি আঁহজৰত (ছাঃ) য়ে নমাজ আদি পঢ়িবলৈ মছজিদলৈ অহা-যোৱা কৰিছিল। যেতিয়া তেখেত (ছাঃ) য়ে আৰু বিয়া কৰাইছিল তেতিয়া সেই পঁজা খনৰ লগা লগি আৰু বেলেগ পঁজা সজোৱা হৈছিল। আনহাতে মছজিদৰ ওচৰা-ওচৰাকৈ আৰু কিছুমান চাহাবা সকলৰ নিমিত্তে ঘৰ নিৰ্মাণ কৰা হৈছিল। এয়াই আছিল মছজিদ নবুৰী যি মদিনাত নিৰ্মাণ কৰা হৈছিল। সেই যুগত এনেকুৱা আৰু কোনো মহল নাছিল, য'ত জাতিৰ কাম আদি সম্পন্ন কৰিব পৰা গৈছিল গতিকে আইওয়ানে হুকুমতৰ কামও এই মছজিদত সম্পন্ন হৈছিল। ইয়াতেই আছিল কাৰ্যালয় (অফিচ) অৱস্থিত। ইয়াতেই আঁহজৰত (ছাঃ) ৰ দৰবাৰ অনুষ্ঠিত হৈছিল। সকলো ধৰণৰ পৰামৰ্শ সভা ইয়াতেই অনুষ্ঠিত হৈছিল। মোকদ্দমা আদিৰ বিচাৰ এই ঠাই খনতেই কৰা হৈছিল। ইয়াৰ পৰাই সকলো নিৰ্দেশ আদি জাৰি কৰা হৈছিল। ইয়াতেই জাতীয় অতিথিশালা আছিল। সকলো ধৰণৰ কউমি কাম এই মছজিদখনতেই সম্পন্ন কৰা হৈছিল। লগতে প্ৰয়োজন অনুসৰি ইয়াৰ পৰাই যুদ্ধ বন্ধী সকলৰ নিমিত্তে বন্ধী খানাৰ ব্যাৱস্থা কৰি দিয়া হৈছিল।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে -ছাৰ উইলিয়াম মৌৰ এই মছজিদ সম্পৰ্কে লিখিছে এই মছজিদ নিৰ্মাণৰ আচবাব আৰু সা-সৰঞ্জামৰ ফালৰ পৰা দেখা যায় যে মছজিদ খন অতি সাধাৰণ ভাৱে নিৰ্মিত আছিল। কিন্তু মহম্মদ (ছাঃ)

ৰ এই মছজিদ ইছলামী ইতিহাসত এটা বিশেষ মৰ্যদা ৰাখে। ৰছুলে খোদা আৰু তেখেতৰ চাহাবা সকলে এইখন মছজিদতেই তেওঁলোকৰ বেছি ভাগ অতিবাহিত কৰিছিল। ইয়াতেই ইছলামী নমাজৰ বা-জমাত নমাজ নিয়মিত ভাৱে আৰম্ভ হৈছিল। ইয়াতেই সকলো মুছলমান জুমাৰ দিন খোদা তায়লাৰ সতেজ অহি শুনাৰ নিমিত্তে গোট খাইছিল। ইয়াতেই মই মহম্মদ (ছাঃ) য়ে নিজৰ বিজয়ৰ পৰিকল্পনা ৰচনা কৰিছিল। ইয়াতেই সেই কাৰ্যালয় (আইওয়ান) আছিল, য'ত পৰাজিত আৰু তায়েব কবাইলৰ প্ৰতিনিধি সকলক তেখেত (ছাঃ) ৰ সন্মুখত হাজিৰ কৰা হৈছিল। ইয়াতেই আছিল সেই দৰবাৰ,যৰ পৰা বাদছাহৰ নিৰ্দেশ জাৰি কৰা হৈছিল। যিয়ে আৰবৰ সুন্দৰ প্ৰান্তলৈকে বিদ্ৰোহী সকলক ভয়েৰে কঁপাই তুলিছিল। অৱশেষত এইখন মছজিদৰ কাষত নিজৰ পত্নী হজৰত আয়শা (ৰাঃ) ৰ পঁজাত মহম্মদ (ছাঃ) য়ে মৃত্যু বৰণ কৰিছিল আৰু সেই ঠাইতেই নিজৰ দুজন খলিফাৰ কাষত কবৰস্থ হৈ আছে। মুঠতে হজৰত ছুহেল আৰু তেখেতৰ ভায়েক ভাগ্যশীল আছিল, যি দুজনে ইছলামৰ এই মহান কেন্দ্ৰৰ নিমিত্তে জমিন আগবঢ়োৱাৰ সৌভাগ্য লাভ কৰিছিল।

ইয়াৰ পিছত যিজন চাহাবীৰ বিষয়ে উল্লেখ কৰিম তেখেতৰ নাম আছিল হজৰত ছঈদ বিন খিছামাহ (ৰাঃ)। হজৰত ছঈদ বিন খিছামাহ আউচ কবিলাৰ লোক আছিল। এখেত (ৰাঃ) ৰ মাকৰ নাম আছিল হিন্দা বিনতে আউচ। আঁহজৰত (ছাঃ) য়ে হজৰত ছঈদ বিন খিছামাহ আৰু হজৰত আবু ছালমা বিন আব্দুল আছিদৰ মাজত ভাতৃত্ব বন্ধন স্থাপন কৰি দিছিল। হজৰত ছঈদ বিন খিছামাহ (ৰাঃ) সেই বাৰজন চুবাদাৰৰ (নায়কৰ) এজন আছিল, যি সকলক আঁহজৰত (ছাঃ) য়ে বয়াতে উকবা ছানিয়াৰ সময়ত মদিনাৰ মুছলমান সকলৰ চুবাদাৰ নিযুক্ত কৰিছিল। ছিৰাত খাতামান নাবীঈনত হজৰত মিৰ্জা বশিৰ আহমদ ডাঙৰীয়ায় লিখিছে যে ১৩ নৱবীত জিলহজ্বা মাহত আউচ আৰু খজৰজ কবিলাৰ কেইবা শ লোক মক্কালৈ আহিছিল। ইয়াৰে মাজৰ সত্তৰ জন লোক এনেকুৱা আছিল হয়তো সিহঁতে আগতেই মুছলমান হৈছিল নহলে হ'ব পাৰে, সিহঁতে মুছলমান হ'ব বিছাৰিছিল। আঁহজৰত (ছাঃ) য়ে ঠিক কৰা তাৰিখ অনুযায়ী এদিন ৰাতি অকলে ঘৰৰ পৰা ওলায় আৰু বাটতে নিজৰ খুৰা আববাচক লগতলৈ (যিজন তেতিয়াও মুছলমান হোৱা নাছিল) গৈছিল। এওঁলোক দুজনে গৈ নিৰ্দিষ্ট ঘাটিত উপস্থিত হৈছিল। বেছি পৰ হোৱা নাছিল এনেতে আনছাৰ সকলৰও এজন দুজনকৈ তাত আহি উপস্থিত হৈছিল। সেই সকল লোকৰ সৈতে আববাচ প্ৰথমে কথা পাতিবলৈ আৰম্ভ কৰিছিল যে হে খজৰজৰ লোক সকল ! মহম্মদ (ছাঃ) নিজৰ বংশৰ মাজত শ্ৰেষ্ঠ আৰু সকলোৰে প্ৰিয় আৰু সেই বংশটো আজিলৈকে এওঁৰ নিৰাপত্তাৰ জামিন হৈ আছে আৰু প্ৰত্যেক বিপদৰ সময়ত এওঁৰ বাবে বুকু আগুৱাই দি আহিছে। কিন্তু এতিয়া মহম্মদ (ছাঃ) ৰ সিদ্ধান্ত হ'ল নিজৰ ঘৰ এৰি তেওঁ তোমালোকৰ ওচৰত গুচি যাব। গতিকে যদি তোমালোকে তাক তোমালোকৰ ওচৰত লৈ যাবলৈ ইচ্ছা কৰা তেন্তে তোমালোকে এই বিষয় সম্পৰ্কে সন্মত আছা তেন্তে ঠিক আছে, নহলে এতিয়াই তোমালোকে স্পষ্ট মতামত ব্যাক্ত কৰা কাৰণ মুকলি মুৰীয়া কথা হ'ল উত্তম। বৰাআ বিন মুৰাৰোৰ আনছাৰ কবিলাৰ এজন বয়সীয়াল বুজুৰ্গ আছিল, তেখেতে কৈছিল যে আমি বিচাৰো যে ৰছুলে খোদা (ছাঃ) য়ে মোবাৰক মাতেৰে কিবা কওঁক। তেতিয়া আঁহজৰত (ছাঃ) য়ে কোৰ-আন চৰিফৰ কেইটামান আয়াত পাঠ কৰি, ইছলামৰ শিক্ষা সম্পৰ্কে চমু ভাষণ উপস্থাপন কৰিছিল। সেই ভাষণত হকুকুল্লাহ আৰু হকুকুল ইবাদৰ চমু ব্যাখ্যা আগবঢ়াই কৈছিল যে মই নিজৰ ভাবে কেৱল ইখিনিয়ে বিচাৰো যে যেনেকৈ তোমালোকে নিজৰ আত্মীয় আৰু সম্পৰ্কীয় সকলক ৰক্ষণা-বেক্ষণ কৰা তেনেকৈ প্ৰয়োজনত মোৰ সৈতেও কৰিবা। বৰাআ বিন মুৰাৰুৰ আৰবৰ ৰীতি অনুযায়ী তেখেত (ছাঃ) ৰ হাত নিজৰ হাতত লৈ কৈছিল, ইয়া ৰছুলুল্লাহ ! আমাক সেই খোদা তায়লাৰ কছম যিজনাই আপোনাক হক আৰু সত্যৰে সৈতে প্ৰেৰণ কৰিছে, আমি নিজৰ প্ৰাণৰ দৰে আপোনাক নিৰাপত্তা দিম। আমি তৰোৱালৰ চাকচিক্যত লালিত পালিত হৈছো। আকৌ তেওঁলোকে আঁহজৰত (ছাঃ) ক সুধিছিল যে আমি সকলো কৰিম কিন্তু তাৰ পৰিবৰ্ত্তে আমি কি পাম ? তেখেত (ছাঃ) য়ে উত্তৰত কৈছিল, তোমালোকে খোদা তায়লাৰ প্ৰদত্ত জান্নাত লাভ কৰিবা। যি তাৰ সকলো পুৰুস্কাৰৰ মাজত উত্তম পুৰুস্কাৰ। তেতিয়া সকলোৱে কৈছিল যে এই চৰ্ত আমি গ্ৰহন কৰিলো। ইয়া ৰছুলুল্লাহ ! আপুনি আপোনাৰ হাত আগবঢ়াই দিয়ক। তেতিয়া আঁহজৰত (ছাঃ) য়ে নিজৰ মোবাৰক হাত আগবঢ়াই দিছিল আৰু এই সত্তৰ জনৰ জমাত এক বিশ্বাসৰ চুক্তিত তেখেত (ছাঃ) ৰ হাতত সৰ্মপিত হৈছিল, যি বয়াত-বয়াতে উকবা ছানিয়া নামেৰে খ্যাত। এই বয়াতৰ পিছতেই আঁহজৰত (ছাঃ) য়ে তেওঁলোকৰ মাজৰ বাৰজনক চুবাদাৰ

(নায়ক) নিযুক্ত কৰিছিল। সেই বাৰজন লোকৰ নাম আছিল আছআদ বিন জৰাৰাহ,আছিদ বিন হুজিৰ, আবুল হিসাম মালিক বিন তিহান, ছঈদ বিন আবাদা, বৰাআ বিন মুৰাৰুৰ, আব্দুল্লাহ বিন ৰোৱাহা, আবাদা বিন ছামত, ছঈদ বিন ৰবিআ, ৰফিয়া বিন মালিক, আব্দুল্লাহ বিন উমৰু, ছঈদ বিন বিছামাহ আৰু মনজৰ বিন উমৰু (ৰাঃ)।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে হজৰত ছঈদ বিন খিছামাহ (ৰাঃ) ৰ কুবাত এখন কূঁৱা আছিল। যাক আল গৰ্জ বুলি কোৱা হৈছিল। আঁহজৰত (ছাঃ) য়ে সেই কূঁৱাৰ পানী পান কৰিছিল আৰু কৈছিল এয়া জান্নাতৰ এখন নিজৰাৰ পৰা বৈ আহিছে। সেই কুঁৱাৰ পানী বৰ উৎকৃষ্ট আছিল। আঁহজৰত (ছাঃ) ৰ মৃত্যুৰ পিছত তেখেত (ছাঃ) ৰ লাচ মোবাৰক সেই কুঁৱাৰ পানীৰে গোছল কৰোৱা হৈছিল। ৰছুলুল্লাহ (ছাঃ) য়ে কৈছিল যে মোৰ মৃত্যুৰ পিছত এই গৰ্জৰ পৰা সাত মগ পানী আনি মোক গোছল কৰোৱাবা। নবী (ছাঃ) ৰ লাচ মোবাৰকক তিনিবাৰ গোছল কৰোৱা হৈছিল। হজৰত আলি (ৰাঃ) হজৰত আববাচ (ৰাঃ) আৰু হজৰত ফজল (ৰাঃ) এই তিনি জনে তেখেত (ছাঃ) ৰ দেহ মোবাৰকক গোছল কৰোৱাই দিছিল।

ছুলেমান বিন আবান বৰ্ণনা কৰিছে যে যেতিয়া ৰছুলুল্লাহ (ছাঃ) য়ে বদৰলৈ যাত্ৰা কৰিছিল তেতিয়া হজৰত ছঈদ বিন খিছামাহ আৰু তেখেতৰ দেউতাক, দুয়োজনে আঁহজৰত (ছাঃ)ৰ লগত যাবলৈ সিদ্ধান্ত লৈছিল। তেতিয়া আঁহজৰত (ছাঃ) য়ে নিৰ্দেশ দিছিল যে তোমালোকে দুজনৰ মাজত এজন হে যাব পাৰিবা। গতিকে তোমালোক দুজনৰ মাজত টছ কৰি লোৱা। তেতিয়া হজৰত খিছামাহ (ৰাঃ) য়ে নিজৰ পুত্ৰ ছঈদক কৈছিল যে আমি দুজনৰ এজনহে মাত্ৰ যাব পাৰিম, গতিকে তুমি মহিলা সকলৰ নিৰাপত্তা আৰু পৰিচালানাৰ্থে বৈ যোৱা। তেতিয়া হজৰত ছঈদ (ৰাঃ) য়ে উত্তৰ দিছিল যে যদি জান্নাতৰ বাদে বেলেগ কোনো বিষয় হলহেঁতেন তেন্তে নিশ্চয় মই আপোনাক আগতে যাব দিলোহেঁতেন। কিন্তু মই নিজেই শ্বাহাদত লাভৰ আশা কৰোঁ। সেয়ে দুয়োজনৰ মাজত টছ্ কৰা হৈছিল আৰু তাত হজৰত ছঈদৰ নাম উঠিছিল। পিছত হজৰত ছঈদ (ৰাঃ) য়ে আঁহজৰত (ছাঃ) ৰ লগত বদৰলৈ ওলাই পৰিছিল আৰু বদৰৰ যুদ্ধত শ্বহীদ হৈছিল। আন এটা ৰোৱায়েত অনুসৰি বদৰৰ ময়দানত ৰছুলে পাক (ছাঃ) ৰ লগত দুটা ঘোঁৰা আছিল, তাৰে এটাত হজৰত মুচাআব বিন উমিৰ আৰু আনটোত হজৰত ছঈদ বিন খিছামাহ(ৰাঃ) য়ে আৰোহণ কৰিছিল। হজৰত জাবেৰ বিন আউআম আৰু হজৰত মুকদাদ বিন আছুদ (ৰাঃ) য়েও এজনৰ পিছত এজনে সেই ঘোঁৰাত উঠি যুঁজ কৰিছিল।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কৈছে যে হজৰত মিৰ্জা বশিৰ আহমদ চাহাবৰ ধাৰণা আছিল যে বদৰৰ যুদ্ধ ময়দানত মুছলমান সকলৰ ফালে সত্তৰটা উট আৰু মাত্ৰ দুটা ঘোঁৰা ব্যাৰহাৰ কৰা হৈছিল। মুঠতে যিয়েই সা-সৰঞ্জাম আৰু উট ঘোঁৰা আদি আছিল সেয়া কাফিৰ সকলৰ যুদ্ধ সৰঞ্জামৰ লগত তুলনাৰ যোগ্য নাছিল। কিন্তু যেতিয়া মুছলমান সকলৰ ওপৰত আক্ৰমণ চলাইছিল আৰু লড়াই আৰম্ভ কৰিছিল আৰু কাফিৰ সকলে এই উদ্যমেৰে আহিছিল যে এতিয়া ইছলামক ধৰাপৃষ্ঠৰ পৰা চিৰ বিদায় দিম, তেতিয়া মোমিন সকলে নিজৰ সা-সৰঞ্জামৰ ফালে উট, ঘোঁৰা আদিৰ ফালে লক্ষ্য কৰা নাছিল, মাত্ৰ খোদা তায়লাৰ নিমিত্তে কোৰবাণী হবলৈ সাজু হৈ গৈছিল। যি আল্লাহ তায়লা কবুল কৰি লৈছিল আৰু শেষত বিজয় দান কৰিছিল। আল্লাহ তায়লা আচহাব সকলৰ মৰ্যদা উন্নীত কৰি যাওঁক। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 15March 2019**

**(BOOK POST PRINTED MATTER)**

**To**

---------------------------------------------------------------------------

---------------------------------------------------------------------------

---------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**